# উনবিংশ অধ্যায়

# লিগ অব নেচনছ বা জাতিসংঘ

প্ৰেছিডেণ্ট উইলছনৰ চৈধ্যদফীয়া আঁচনিৰ শেষৰ দফাটোত আছিল যে বৃহৎ আৰু ক্ষুদ্ৰ সকলো ৰাষ্ট্ৰৰ স্বাধীনতা আৰু আঞ্চলিক নিৰাপত্তা ৰক্ষাৰ কাৰণে এক আন্তৰ্জাতিক সংস্থা স্থাপন কৰিব লাগিব। এই প্ৰস্তাৱৰ যথাৰ্থতে কোনো নতুনত্ব নাছিল। ইতিহাসৰ প্ৰায়বিলাক বিস্তৰ ক্ষতিসাধক যুদ্ধৰ ফলতেই এনে আঁচনিৰ সৃষ্টি হোৱা দেখা যায় আৰু এনে আঁচনিসমূহৰ উদ্দেশ্য হ'ল ৰাষ্ট্ৰসমূহৰ পৰস্পৰৰ মাজত যুদ্ধৰ সম্ভাৱনা দূৰ কৰা আৰু আন্তঃৰাষ্ট্ৰীয় বিবাদসমূহৰ সমাধান যুদ্ধৰদ্বাৰা নকৰি মধ্যস্থতাৰদ্বাৰা কৰাৰ ব্যৱস্থা কৰা। আন্তঃৰাষ্ট্ৰীয় বিবাদসমূহৰ শান্তিপূৰ্ণ মীমাংসাৰ জৰিয়তে যুদ্ধ পৰিত্যাগ কৰি চলিবলৈ উনবিংশ শতাব্দীত কৰা এলানি প্ৰচেষ্টাৰ শেষ পৰিণতি আছিল জাতিসংঘৰ সৃষ্টি। শান্তি ৰক্ষা আৰু অন্যান্য ক্ষেত্ৰত আন্তৰ্জাতিক সহযোগিতাৰ উদ্দেশ্যে এটা ব্যৱস্থা স্থাপন হোৱাত এই আন্দোলনে ৰাজনৈতিক ৰূপ পালে। জাতিসংঘৰ প্ৰসংবিদা (Covenent) ২৬ টা অনুচ্ছেদৰ সমষ্টি। প্ৰসংবিদাৰ প্ৰস্তাৱনাত (preamble) স্পষ্ট আৰু পোনপটীয়া ভাষাত উল্লেখ কৰা হৈছিল যে জাতিসংঘৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে আন্তঃ-ৰাষ্ট্ৰীয় সহযোগিতাৰ উন্নয়ন সাধন আৰু শান্তি আৰু নিৰাপত্তা স্থাপন। ছুইজাৰলেণ্ডৰ জেনেভাত (Geneva) জাতিসংঘৰ কেন্দ্ৰীয় কাৰ্য্যালয় স্থাপন কৰা হৈছিল। জাতিসংঘৰ কাৰ্য্যাৱলী পৰিচালনা কৰা হৈছিল এখন এছেমব্লি বা সদন, এখন কাউন্সিল বা পৰিষদ আৰু এজন প্ৰধান সচিব বা ছেক্ৰেটাৰি জেনেৰেলৰ অধীনত এখন সচিবালয় বা ছেক্ৰেটেৰিয়েটৰ-দ্বাৰা। এছেমব্লিখন গঠিত হৈছিল জাতিসংঘত যোগ দিয়া সদস্য ৰাষ্টসমূহৰ প্ৰতিনিধিবৰ্গৰে। প্ৰত্যেক ৰাষ্ট্ৰৰে সৰ্বাধিক তিনিজনলৈকে



প্ৰতিনিধি প্ৰেৰণ কৰাৰ অধিকাৰ আছিল যদিও এখন ৰাষ্ট্ৰই কেৱল এটা ভোটৰহে অধিকাৰ পাইছিল। পৰিষদখন গঠিত হৈছিল গ্ৰেট ব্ৰিটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, ইটালি আৰু জাপান, এই বৰ-মূৰীয়া মিত্ৰশক্তিকেইটাৰ প্ৰতিনিধিবৰ্গৰে আৰু এছেমব্লিৰদ্বাৰা নিৰ্বাচিত আৰু চাৰিখন ৰাষ্ট্ৰৰ সদস্যেৰে। পৰিষদখন আছিল জাতিসংঘৰ পালিকা সভা বা মন্ত্ৰীসভাৰ দৰে। সচিবালয়ৰ কৰ্তব্য আছিল এছেমব্লি আৰু পৰিষদৰ কাৰ্যসূচী প্ৰস্তুত কৰা।

জাতিসংঘৰ সৈতে জড়িত আন দুটা গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান আছিল আন্তঃৰাষ্ট্ৰীয় ন্যায়ৰ স্থায়ী ন্যায়ালয় (The Permanent Court of International Justice) আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (International Labour Organisation)। ইয়াৰ প্ৰথমটো প্ৰতিষ্ঠানৰ কাম আছিল পৰিষদে ইয়াৰ আগত উত্থাপন কৰা আন্তঃৰাষ্ট্ৰীয় বিবাদসমূহৰ নিষ্পত্তি কৰা আৰু দ্বিতীয়টো প্ৰতিষ্ঠানৰ কাম আছিল সকলো ধৰণৰ শ্ৰমিক সমস্যাৰ নিষ্পত্তি কৰা।

জাতিসংঘ গঠনৰ সৰ্বপ্ৰধান উদ্দেশ্য আছিল যুদ্ধ নিবাৰণ কৰা আৰু এই মৰ্মে ৰাষ্ট্ৰসমূহৰ পৰস্পৰৰ বিবাদৰ সম্প্ৰীতিমূলক মীমাংসাৰ উপায় উদ্ভাৱন আৰু যুদ্ধৰ শংকাৰ দূৰীকৰণ। আন্তৰ্জাতিক শান্তিস্থাপনৰ ক্ষেত্ৰত জাতিসংঘৰ মূলমন্ত্ৰ আছিল সামূহিক নিৰাপত্তাৰ নীতি। প্ৰসংবিদাখনৰ দশম অনুচ্ছেদত ইয়াৰ বৰ্ণনা আছিল আৰু ইয়াকেই জাতিসংঘৰ শান্তিৰ আঁচনিৰ মূলমন্ত্ৰ বুলিব পাৰি। এই ব্যৱস্থা অনুসৰি সদস্য ৰাষ্ট্ৰসমূহে সকলো সদস্য ৰাষ্ট্ৰৰে আঞ্চলিক অখণ্ডতা আৰু বৰ্তমান ৰাজনৈতিক স্বাধীনতাক সন্মান কৰি চলিবলৈ আৰু সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰতি-শ্ৰুতিবদ্ধ হৈছিল। একাদশ অনুচ্ছেদত কোৱা হৈছিল যে 'জাতিসংঘৰ যিকোনো সদস্য ৰাষ্ট্ৰৰ বিৰুদ্ধে যদি যুদ্ধ বা যুদ্ধৰ বিভীষিকাৰ উদ্ভৱ হয়, তেন্তে ই আসন্ন হওকেই বা নহওকেই, ইয়াক সমূহ জাতিসংঘৰে উদ্বেগৰ বিষয় বুলি বিবেচনা কৰা হ'ব আৰু ৰাষ্ট্ৰসমূহৰ শান্তি সুৰক্ষিত কৰিবৰ উদ্দেশ্যে উচিত আৰু সক্ৰিয় ব্যৱস্থা জাতিসংঘই গ্ৰহণ কৰিব।' দ্বাদশ অনুচ্ছেদ অনুসৰি সকলো সদস্য ৰাষ্ট্ৰই এই প্ৰতিশ্ৰুতি দান কৰিলে যে সদস্য ৰাষ্ট্ৰসমূহৰ দুই বা ততোধিক ৰাষ্ট্ৰৰ মাজৰ বিবাদে

যদি সংঘৰ্ষৰ সম্ভাৱনাৰ সৃষ্টি কৰে, তেন্তে তেওঁলোকে এই বিবাদক মধ্যস্থতা, ন্যায়িক মীমাংসা অথবা পৰিষদৰদ্বাৰা তদন্তৰ বাবে উত্থাপন কৰিব। এই মধ্যস্থতামূলক আৰু ন্যায়িক মীমাংসাৰ প্ৰণালী ক্ৰমে ত্ৰয়োদশ আৰু চতুৰ্দশ অনুচ্ছেদত বৰ্ণিত আছিল। যিবোৰ বিবাদ মধ্যস্থতা বা ন্যায়িক মীমাংসাৰ বাবে পৰিবেশন কৰা নহয়, তাক বাধ্যতা-মূলকভাৱে পৰিষদৰ আগত উত্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছিল পঞ্চদশ অনুচ্ছেদৰ যোগেদি। মধ্যস্থতা বা ন্যায়িক মীমাংসাৰ বাবে উত্থাপন কৰা বিবাদবোৰৰ মীমাংসাৰ পদ্ধতি পঞ্চদশ অনুচ্ছেদত বৰ্ণোৱা হৈছিল। ষোড়শ অনুচ্ছেদত বিশ্বশান্তি ৰক্ষাৰ বাবে জাতিসমূহৰ ব্যৱস্থাসমূহক কাৰ্য্যকৰী কৰাৰ বাবে শান্তিপূৰ্ণ মীমাংসাৰ অৰ্থে প্ৰতিবন্ধ বা শান্তিৰ ব্যৱস্থা বৰ্ণোৱা হৈছিল।

**জাতিসংঘৰ কাৰ্য্যাৱলী :** জাতিসংঘই ৰাষ্ট্ৰসমূহৰ নানান সৰু-সুৰা বিবাদৰ মীমাংসা কৰিলে। আলেণ্ড দ্বীপপুঞ্জক কেন্দ্ৰ কৰি চুইডেন আৰু ফিনলেণ্ডৰ মাজত সৃষ্টি হোৱা বিবাদৰ জাতিসংঘই সফলতাৰে মীমাংসা কৰিলে। উত্তৰ ছাইলেছিয়াক লৈ জাৰ্মেনি আৰু পোলেণ্ডৰ মাজত সৃষ্টি হোৱা বিবাদ জাতিসংঘৰ পৰিষদৰ আগত উত্থাপিত হৈছিল। জাতিসংঘই এক বিশেষ আয়োগ নিযুক্ত কৰিলে আৰু এই আয়োগে জাৰ্মান আৰু পোলেণ্ডীয় অঞ্চলসমূহৰ মাজৰ সীমাৰেখা নিৰ্ধাৰিত কৰিলে। বলকান অঞ্চলৰ বিবাদত জাতিসংঘই তিনিবাৰ সফলতাপূৰ্বক মধ্যস্থতা কৰিছিল। ১৯২১ চনত ই আলবেনিয়াক যুগোশ্লাভিয়াৰ আক্ৰমণৰপৰা ৰক্ষা কৰিলে। ১৯২৫ চনত বুলগেৰিয়া আৰু গ্ৰিছৰ মাজৰ যুদ্ধৰ সম্ভাৱনা দূৰ কৰি জাতিসংঘই আসন্ন সংকটৰ অৱসান ঘটালে। জাতি-সংঘৰদ্বাৰা ইৰাক আৰু তুৰস্কৰ সীমাবিবাদৰ মীমাংসাও উল্লেখযোগ্য। জাতিসংঘৰদ্বাৰা নিযুক্ত এটা আয়োগে দীঘলীয়া তদন্তৰ মূৰত এই বিষয়ে ৰায় দিলে আৰু উভয় পক্ষই ইয়াক স্বীকাৰ কৰিলে। কিন্তু এই মীমাংসাত তুৰস্ক সন্তুষ্ট নহ'ল। জাতিসংঘৰ প্ৰতি সন্দিহান হৈ তুৰস্কই সাময়িক-ভাৱে ৰাছিয়াৰ ওচৰ চাপিলে।

জাতিসংঘৰ এটা প্ৰধান দোষ আছিল এয়ে যে ইয়াৰ মীমাংসাসমূহ বলবৎ কৰিবৰ বাবে ইয়াৰ কাৰ্যকৰী আহিলাৰ অভাৱ আৰু এইবাবেই



বৃহৎ শক্তিসমূহৰ মাজত সৃষ্টি হোৱা বিবাদৰ ক্ষেত্ৰত ই শান্তিৰক্ষাৰ কাৰ্য্য সম্পাদন কৰিবলৈ সমৰ্থ হোৱা নাছিল। ই জাৰ্মেনিক বাধা দিব পৰা নাছিল। তদুপৰি ই আবিছিনিয়াৰ বিৰুদ্ধে ইটালিৰ আক্ৰমণ আৰু মাঞ্চুৰিয়াৰ বিৰুদ্ধে জাপানৰ আক্ৰমণক বাধা দিব পৰা নাছিল। (জাপান, ইটালি আৰু জাৰ্মেনিৰ অধ্যায়বোৰ দ্ৰষ্টব্য)।

ৰাজনৈতিক ক্ষেত্ৰত জাতিসংঘৰ মুখ্য উদ্দেশ্য ব্যৰ্থ হৈছিল। নিৰস্ত্ৰী-কৰণৰ কাৰ্য্য সম্পন্ন কৰিবলৈ জাতিসংঘ অসমৰ্থ হ'ল, যুদ্ধ আৰু আক্ৰ-মণৰ অন্ত পেলাবলৈও ই সমৰ্থ নহ'ল। কিন্তু সামাজিক আৰু মানবীয় কাৰ্য্যৰ ক্ষেত্ৰত ই যথেষ্ট কৃতিত্ব অৰ্জন কৰিছিল। জাতিসংঘই ইয়াৰ বিভিন্ন প্ৰতিষ্ঠানৰ জৰিয়তে নাৰী, শিশু আৰু মাদক দ্ৰব্যৰ বেহা-বেপাৰ বন্ধ কৰাৰ কাৰ্য্যত প্ৰবৃত্ত হৈছিল আৰু দাসত্ব প্ৰথা আৰু বাধ্যতামূলক বনুৱা প্ৰথাৰ (forced labour) বিৰুদ্ধে সংগ্ৰাম চলাইছিল। শিক্ষা বিষয়ক আৰু বৌদ্ধিক সহযোগিতা, আন্তৰ্জাতিক যান পৰিবহন আৰু যোগাযোগ ব্যৱস্থা আৰু বিশ্বৰ বিভিন্ন স্বাস্থ্য আৰু বিজ্ঞান বিষয়ক প্ৰতিষ্ঠানৰ কাৰ্য্যসমূহৰ সমন্বয় স্থাপনৰ ক্ষেত্ৰত জাতিসংঘই উল্লেখযোগ্য বৰঙণি আগ বঢ়াইছিল।

**লিগ অব নেচনছৰ বিফলতাৰ কাৰণসমূহ :** লিগৰ প্ৰসংবিদা গৃহীত হোৱালৈকে লিগ গঠনৰ কাৰ্য্য আশাতীত উদ্যমেৰে পৰিচালিত হৈছিল। কিন্তু বাস্তৱিক কাৰ্য্য আৰম্ভ কৰাৰ মুহূৰ্ত উপস্থিত হোৱাৰ লগে লগে লিগৰ কাৰ্য্যৰ অগ্ৰগতিত বিষম বাধা উপস্থিত হ'ল। মিত্ৰ-শক্তিৰ যুদ্ধকালীন ঐক্য অন্তৰ্ধান হ'ল আৰু তাৰ ঠাইত ক্লান্তি আৰু পৰবৰ্তী নীতিৰ বিষয়ত বিৱাদৰ সৃষ্টি হ'ল আৰু তেওঁলোকৰ মাজত অভিমানী জাতীয়তাবাদে দেখা দিলে।

জাতিসংঘৰ গুৰুত্ব সাধাৰণ ৰাইজে ভালদৰে হৃদয়ংগম কৰিব পৰা নাছিল। জাতিসংঘৰ প্ৰতি জনসাধাৰণৰ সমৰ্থন সু-বিবেচনাপ্ৰসূত নহৈ অনুভূতিপ্ৰৱণহে আছিল। জাতিসংঘৰ সংগঠনটো এক শিথিল ৰাষ্ট্ৰমণ্ডলৰ দৰে আছিল। প্ৰতিনিধিত্বমূলক আৰু প্ৰশাসনীয় এই দুয়ো ধৰণৰে কেন্দ্ৰীয় বিভাগ জাতিসংঘত থকা সত্ত্বেও ইয়াৰ ক্ষমতা আছিল অতি সীমিত, কিয়নো এই বিভাগবোৰৰ কৰ্তৃত্ব বিশ্ববাসীৰ স্বীকৃত কৰ্তৃত্ব

নাছিল আৰু এই বিভাগবোৰে বিশ্ববাসীৰ প্ৰতি গাইগুটীয়া ব্যক্তিৰূপে ব্যৱহাৰ কৰা নাছিল। জাতিসংঘত জনতাৰদ্বাৰা নিৰ্বাচিত প্ৰতিনিধি নাছিল। তদুপৰি ইয়াৰ সংবিধানৰ (প্ৰসংবিদা) সংশোধন সদস্য ৰাষ্ট্ৰসমূহৰদ্বাৰা নিয়ন্ত্ৰিত আছিল বাবে আন্তৰ্জাতিক স্বাৰ্থতকৈ মূলতঃ জাতীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখিহে ৰাষ্ট্ৰসমূহে নীতি নিৰ্ধাৰণ কৰিছিল। ৰাষ্ট্ৰসমূহৰ সাৰ্বভৌমত্বৰ অনস্বীকাৰ্য্য ভেটিৰ ওপৰতে জাতিসংঘ নিৰ্মিত হৈছিল; এই প্ৰতিষ্ঠানৰ সাফল্য নিৰ্ভৰ কৰিছিল সদস্য ৰাষ্ট্ৰসমূহৰ স্বেচ্ছাকৃত সহযোগিতা আৰু একমত নীতিৰ ওপৰত। সংকট কালত এনে সহযোগিতা আৰু ঐক্যমতৰ অভাৱ দেখা গৈছিল।

জাতিসংঘৰ প্ৰসংবিদাত যুদ্ধক সম্পূৰ্ণৰূপে নিষেধ কৰা হোৱা নাছিল। সশস্ত্ৰ বিদ্ৰোহ আৰু গৃহযুদ্ধক লিগৰ কৰ্তৃত্বৰ সীমাৰপৰা বাহিৰত ৰখা হৈছিল। কোনো বিবাদ ৰাজ্যৰ অভ্যন্তৰীণ অধিকাৰৰ অন্তৰ্ভুক্ত হ'লে তাত পৰিষদে হস্তক্ষেপ নকৰাৰ বিধান ৰখা হৈছিল। এটা দফা অনুসৰি উত্থাপিত কোনো কোনো বিবাদৰ প্ৰশ্নত তিনিমাহ কালৰ ভিতৰত প্ৰয়োজনীয়সংখ্যক ভোট গৃহীত নহ'লে সংশ্লিষ্ট ৰাষ্ট্ৰই যুদ্ধৰ আশ্ৰয় ল'ব পাৰিছিল। সকলো ক্ষেত্ৰতে প্ৰায় যুদ্ধৰ নিচিনা বলপূৰ্বক ব্যৱস্থা অবাধে গ্ৰহণ কৰাৰ বিধান আছিল। আনকি সংমোদন বা মঞ্জুৰি (sanction) গ্ৰহণৰ ক্ষেত্ৰতো সকলো ৰাষ্ট্ৰৰ অনুমোদন নোহোৱাকৈ তেনে ব্যৱস্থা বলবৎ কৰাৰ অধিকাৰ জাতিসংঘৰ নাছিল। তদুপৰি ২১ নম্বৰ দফাৰদ্বাৰা আঞ্চলিক নিৰাপত্তাক স্বীকৃতি দিয়া হৈছিল। ইয়াত কোৱা হৈছিল যে শান্তিৰক্ষাৰ উদ্দেশ্যে স্থাপিত আন্তৰ্জাতিক বন্দোবস্তসমূহৰ (উদাহৰণস্বৰূপে মন্‌ৰ' সিদ্ধান্ত, (Monroe Doctrine) বৈধতাক জাতিসংঘৰ প্ৰসংবিদাৰ কোনো নীতিৰদ্বাৰাই উলংঘা কৰা নাযায়।

শান্তি সন্ধিসমূহত লিগৰ প্ৰসংবিদাক অবিচ্ছেদ্য অংগ হিচাপে ৰখাটো নানা কাৰণত দুৰ্ভাগ্যজনক বুলি প্ৰমাণিত হ'ল। পাশ্চাত্য শক্তিসমূহে ইয়াক যথাস্থিতিৰ (status quo) ব্যৱস্থা বাহাল ৰখাৰ আহিলাৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিলে। অন্যায়মূলক বুলি বিবেচিত শান্তি মীমাংসাবো পৰিবৰ্তনৰ ক্ষেত্ৰত লিগৰ ক্ষমতা বহু পৰিমানে সীমিত আছিল।

জাতিসংঘৰ আৰম্ভৰ মুহূৰ্ততেই মাকিন যুক্তৰাষ্ট্ৰই ইয়াত যোগদান



নকৰাৰ ফলত সংগঠনটোৰ বিৰাট হানি হ'ল আৰু এই ক্ষতি লিগৰ সমগ্ৰ কাৰ্য্যকালৰ বাবে অপূৰণীয় হৈ ৰ'ল। মাকিন যুক্তৰাষ্ট্ৰই এই সিদ্ধান্ত গ্ৰহণ কৰাত অদূৰদৰ্শী জাতীয়তাবাদৰ জয়লাভ সূচনা হৈ পৰিল। জাতিসংঘৰ পৰিষদ আৰু এছেমব্লিৰ ক্ষমতা আৰু প্ৰয়োগৰ ক্ষেত্ৰত যথেষ্ট ক্ষতি হ'ল। প্ৰত্যেক সদস্য ৰাষ্ট্ৰতে লিগবিৰোধী দলবোৰে উদগনি পালে। তেওঁলোকে জানো ইমান দিনে কৈ অহা নাছিল যে উইলছন অবাস্তৱবাদী, আদৰ্শবাদী? বিশ্বৰ সৰ্ববৃহৎ বজাৰবোৰৰ পথ মুকলি থকাত কোন আক্ৰমণশীল ৰাষ্ট্ৰই লিগৰ প্ৰতিবন্ধকলৈ ভয় কৰিব? তদুপৰি মাকিন যুক্তৰাষ্ট্ৰই লিগত যোগ নিদিয়াত অন্যান্য অসন্তুষ্ট ৰাষ্ট্ৰয়ো লিগ ত্যাগ কৰাৰ ভয় দেখুৱাবলৈ সুবিধা পালে। সদস্য ৰাষ্ট্ৰসমূহে লিগৰ প্ৰতি দায়িত্ব পালন কৰোঁতে, বিশেষকৈ সংমোদন বা প্ৰতিবন্ধৰ (sanction) ক্ষেত্ৰত, মাকিন যুক্তৰাষ্ট্ৰৰ সৈতে সংঘৰ্ষৰ সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিলে, কিয়নো এনে কাৰ্য্যই সেই দেশখনৰ অৰ্থনৈতিক স্বাৰ্থত ব্যাঘাত জন্মোৱাৰ ভয় আছিল। মাকিন যুক্তৰাষ্ট্ৰৰ অবিহনে সদস্য ৰাষ্ট্ৰক যুদ্ধৰ বিপদৰপৰা ৰক্ষা কৰা বিষয়ত লিগৰ ক্ষমতাও হ্ৰাস পালে। মাকিন যুক্তৰাষ্ট্ৰই লিগৰ সদস্য হোৱাহেঁতেন জাপানৰদ্বাৰা চীনৰ আৰু ইটালিৰদ্বাৰা ইথিওপিয়াৰ আক্ৰমণ বন্ধ কৰি হয়তো শান্তি বিহিব পৰা গ'লহেঁতেন। সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰতো শক্তিশালী আন্তঃৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাটো মাকিন যুক্তৰাষ্ট্ৰৰ অবিহনে অতি কষ্টসাধ্য আছিল।

বিশ্বজনীনতা যদিও লিগৰ সাৰমৰ্ম আছিল, লিগৰ কাৰ্য্যত সদায়েই ইয়াৰ অভাৱ পৰিলক্ষিত হৈছিল। বাস্তৱ ক্ষেত্ৰত লিগ্ অব নেচনছ পৰাভূত জাতি আৰু সদস্যভুক্ত নোহোৱা পৰ্য্যন্ত ছোভিয়েট ইউনিয়নৰ বিৰুদ্ধে বিজয়ী শক্তিবৰ্গৰ এটা সমষ্টি বুলিহে প্ৰতিপন্ন হৈছিল। আনকি বিজয়ী শক্তিসমূহৰ সকলোৱে লিগত যোগদান নকৰিলে। মাকিন যুক্তৰাষ্ট্ৰ এই বিষয়ত প্ৰকৃত উদাহৰণ। ৰাছিয়া আৰু জাৰ্মেনিক আৰম্ভৰেপৰাই লিগৰপৰা বাদ দিয়া হৈছিল; আমেৰিকাই স্বেচ্ছাই ইয়াত যোগ নিদিলে। ১৯২৬ চনত ল'কাৰ্ণ' সন্ধিৰ পাছত জাৰ্মেনিয়েও লিগত যোগদান কৰিলে, কিন্তু জাপানে ১৯৩৩ চনত আৰু ইটালিয়ে ১৯৩৭ চনত লিগ

ত্যাগ কৰিলে। ছোভিয়েট ইউনিয়নে পলমকৈ লিগত যোগ দিয়াৰ সুবিধা পাইছিল, কিন্তু পিছলৈ বহিষ্কৃত হয়। গতিকে কোনো এটা সময়তে বিশ্বৰ সকলো বৃহৎ শক্তি একেলগে লিগৰ সদস্য নাছিল বা লিগক এক প্ৰকৃত বিশ্ব সংগঠন বুলিব পৰা নগৈছিল। সেইবাবেই ইয়াক 'বিজয়ীসকলৰ লিগ', 'সন্তুষ্টসকলৰ সংগঠন' আৰু 'ৰাছিয়াৰ বিৰুদ্ধে পাশ্চাত্যৰ ষড়যন্ত্ৰ' বুলি অভিহিত কৰা হৈছিল।

এই বিষয়ে সন্দেহ নাই যে জাতিসংঘৰ নানান গুৰুতৰ সাংগঠনিক আসোঁৱাহ আছিল। ইয়াৰ সিদ্ধান্তসমূহ বলবৎ কৰিবৰ বাবে কোনো আন্তঃৰাষ্ট্ৰীয় শক্তি নথকাত ইয়াৰ ক্ষমতাৰ অভাৱ দেখা গৈছিল। যি কোনো পৰিস্থিতিত কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ ই সদস্য ৰাষ্ট্ৰবোৰক অনুৰোধহে কৰিব পাৰিছিল, আদেশ দিব নোৱাৰিছিল আৰু এই অনুৰোধ উপেক্ষা কৰাটো আছিল এটা অতি সহজ কথা। জাপানে মাঞ্চুৰিয়া অধিকাৰ কৰাত লিগে প্ৰথম আঘাত পালে আৰু এই কাৰ্য্যৰ লগে লগেই সামূহিক নিৰাপত্তাৰ যৱনিকা পতন হ'ল। লিগৰ এই ব্যৰ্থতাক এনেদৰে ব্যাখ্যা কৰা হৈছিল যে অতি সুদূৰ প্ৰাচ্যত এই গণ্ডগোলৰ সৃষ্টি হৈছিল আৰু নিকটবৰ্তী ঠাইত অশান্তিৰ সৃষ্টি হ'লে লিগে অধিকতৰ সাফল্য লাভ কৰিব পাৰিব। মাঞ্চুৰিয়া আক্ৰমণৰ ক্ষেত্ৰত লিগৰ সমৰ্থকসকলৰ মনত সন্দেহৰ ছাঁ পৰিছিল, কিন্তু ইথিওপিয়াৰ আক্ৰমণ হোৱাত তেওঁলোকে সম্পূৰ্ণ আস্থাহীন হৈ পৰিল। ইথিওপিয়া আক্ৰমণৰ বিষয়ত বৃহৎ শক্তিসমূহে লিগৰ সহায় নলৈ বৰঞ্চ ইয়াক উলংঘাহে কৰিলে আৰু ইটালিক তোষামোদ কৰিবলৈ চেষ্টা কৰিলে। ইটালিৰ বিৰুদ্ধে প্ৰতিবন্ধ ব্যৱহাৰ কৰা কাৰ্য্য অতি পলম হোৱাৰ উপৰিও ই অসম্পূৰ্ণ আছিল। তেল এবিধ প্ৰধান সামগ্ৰী আছিল আৰু ইটালিলৈ অবাধ গতিত তেলৰ সোঁত বৈ আছিল। জাৰ্মেনি আৰু ৰাছিয়াৰ বিৰুদ্ধে ইটালিক শক্তিশালী কৰি তুলিবলৈ ইংলেণ্ড আৰু ফ্ৰান্সৰ আগ্ৰহৰ পৰিণাম অতি বিষম হৈছিল। ইউৰোপত ফেছিষ্টসকলৰ আক্ৰমণৰ সূচনা কৰা ৰোম-বাৰ্লিন সংহতিয়ে লিগৰ প্ৰতি গৌণ শক্তিসমূহৰ আস্থা নাইকিয়া কৰিলে। ন্যায়পূৰ্ণ অধিকাৰৰ ভেটিত শান্তিৰক্ষাৰ বাবে লিগৰ সৃষ্টি হৈছিল, কিন্তু যিকোনো মূল্যৰ বিনিময়ত



শান্তিৰক্ষা কৰিবলৈ গৈ লিগে এই নীতি ত্যাগ কৰিলে আৰু ইয়াৰ ফলতেই লিগ আপোনঘাতী হ'ল। স্পেইনৰ গৃহযুদ্ধৰ সময়ত স্পেইনৰ চৰকাৰে ১৯৩৬ চনতেই এই বিষয়টো লিগৰ দৃষ্টিগোচৰ কৰিছিল, কিন্তু লিগে এই বিষয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰি হস্তক্ষেপ-বিৰত নীতিহে গ্ৰহণ কৰিলে। ১৯৩৯ চনৰ ভিতৰতেই লিগ মৃতপ্ৰায় হৈছিল। শান্তিৰ এই সংগঠন থকা-সৰকা হৈ পৰিল আৰু লিগে কাৰ্য্যতঃ সামূহিক নিৰাপত্তাৰ ক্ষেত্ৰৰপৰা অৱসৰ ল'লে।

১৯৩০ চনৰ অৰ্থনৈতিক সংকোচনৰ (Economic Depression) ফলত লিগৰ প্ৰতি বিভিন্ন শক্তিসমূহৰ বিৰোধিতা বাঢ়িল, কিয়নো এই ঘটনাৰ পিছত জাৰ্মান নাৎছিবাদ আৰু 'জাপানী সামৰিকতাবাদ'ৰ অভ্যুত্থান হৈছিল; ইয়াৰ ফলত সকলো ঠাইতে সামাজিক শৃংখলাৰ ভেটি উচ্ছন্ন হ'ল। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় উত্তেজনাৰ সৃষ্টি হ'ল, অৰ্থনৈতিক আন্তঃৰাষ্ট্ৰীয়তাৰ অৱসান ঘটিল আৰু সকলো দেশকে আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক নিৰাপত্তাৰ পৰিপন্থী অৰ্থনৈতিক জাতীয়তাবাদৰ গৰাহলৈ ঠেলি দিলে। ইয়াৰ ফলত ৰাছিয়াৰ বিৰুদ্ধে পাশ্চাত্য দেশসমূহৰ সন্দেহৰ সৃষ্টি হ'ল আৰু এই সন্দেহ বাঢ়িল। এইদৰে অৰ্থনৈতিক সংকোচন তথা অৱনতিৰ ফলত তোষামোদ (appeasement) নীতি আৰু অ-হস্তক্ষেপ নীতিৰ জন্ম হ'ল আৰু তাৰ অৰ্থ হ'ল আক্ৰমণৰ প্ৰতি চকু মুদি থকা।

নিৰস্ত্ৰীকৰণৰ ক্ষেত্ৰতো লিগ বিফল হ'ল। ভাৰ্ছাইৰ সন্ধিত জাৰ্মান অস্ত্ৰ-শস্ত্ৰ সীমিত কৰাৰ যি ব্যৱস্থা কৰা হৈছিল তাক উলংঘা কৰিবলৈ ইয়েই হিটলাৰক সুবিধা দিলে আৰু তাৰ ফলতেই দ্বিতীয় বিশ্বযুদ্ধত জঁপিয়াই পৰিবলৈ হিটলাৰে সুযোগ পালে।